# ওঠৰ

## ১৮.১ শব্দাৰ্থতত্ত্ব (Semantics)

কোনো এটা শব্দই কোনো এটা বস্তু বা ভাব সম্পৰ্কে ধাৰণা ওপজায়। এই ধাৰণাটোৱেই হ'ল কোনো এটা শব্দৰ অৰ্থ। সময়ৰ অগ্ৰগতিৰ লগে লগে মানুহৰ জ্ঞান-বুদ্ধিয়ে বিস্তাৰ লাভ কৰি আহিছে। ফলস্বৰূপে, মানুহৰ চিনাকি ভাব বা বস্তু জগতখনৰ দিগন্তও প্ৰসাৰিত হৈছে। ইয়াৰ লগে লগে কোনো এটা বস্তু বা ভাব বুজোৱা কোনো এটা শব্দ একাধিক বস্তু বা ভাব বুজোৱাত ব্যৱহৃত হৈছে, কোনোটো শব্দই আকৌ প্ৰাচীন অৰ্থটো সম্পূৰ্ণৰূপে হেৰুৱাই নতুন অৰ্থ গ্ৰহণ কৰিছে। শব্দৰ অৰ্থৰ এই পৰিবৰ্তনৰ বিচাৰ-বিশ্লেষণকে শব্দাৰ্থতত্ত্ব (Semantics) বোলে।

নিৰুক্তকাৰ যাস্কে পোনতে শব্দাৰ্থৰ পৰিবৰ্তন সম্পৰ্কে আলোচনাৰ দুৱাৰ মুকলি কৰিছিল। ইয়াৰ পিছত বিশিষ্ট পণ্ডিত Michael Bread য়ে ইয়াৰ বিজ্ঞান সম্মত বিশ্লেষণৰ সূচনা কৰে।

## ১৮.২ শব্দাৰ্থ পৰিবৰ্তনৰ কাৰণ (Cause of Semantic Changes)

আমি ইতিমধ্যে একাধিকবাৰ উল্লেখ কৰি আহিছোঁ যে ভাষা নিয়ত পৰিবৰ্তনশীল। এই পৰিবৰ্তন শব্দাৰ্থৰ ক্ষেত্ৰতো সুস্পষ্ট। নানান কাৰণত শব্দাৰ্থৰ পৰিবৰ্তন ঘটিব পাৰে। ভাষাতত্ত্ববিদ-পণ্ডিতসকলে ইয়াৰ বিভিন্ন কাৰণ দৰ্শাইছে। সাধাৰণতে শব্দাৰ্থৰ পৰিবৰ্তনৰ মূল কাৰণ তিনিটা ঃ (ক) আলংকাৰিক কাৰণ, (খ) পৰিবেশগত কাৰণ আৰু (গ) মানসিক কাৰণ।

### (ক) আলংকাৰিক কাৰণ ঃ

জগতৰ সকলো ভাষাতেই অলংকাৰৰ প্ৰয়োগ আছে। ই ভাষাক স্পষ্ট, ৰমণীয় আৰু প্ৰভাৱশালী কৰি তোলে। অলংকাৰ দুই প্ৰকাৰৰ ঃ শব্দালংকাৰ আৰু অৰ্থালংকাৰ। এই দুই প্ৰকাৰৰ আকৌ বিভিন্ন বিভাগ আছে। যেনে— শব্দালংকাৰ ঃ অনুপ্ৰাস, যমক, শ্লেষ ইত্যাদি। অৰ্থালংকাৰ ঃ উপমা ৰূপক, উৎপ্ৰেক্ষা, সমাসোক্তি ইত্যাদি। এনেবোৰ

লগে লগে সমাজত থকা সাংস্কৃতিক, ভৌগোলিক আদি পৰিৱেশ জড়িত হৈ থাকে। তথাপি ভাষাবিজ্ঞানিকসকলে অৰ্থপৰিৱৰ্তনৰ কেইটামান কাৰণ উল্লেখ কৰিছে।

### (ক) পৰিৱেশ জনিত কাৰণ ঃ

কেতিয়াবা সমাজৰ পৰিবৰ্তন, স্থান পৰিবৰ্তন আদিৰ ফলত শব্দৰ অৰ্থৰ পৰিবৰ্তন হয়। যেনে— বেদৰ প্ৰথম স্তুতিগীতবোৰত 'উষ্ট্ৰ' শব্দটোৱে মহ বা মেখোনক বুজাইছিল। কিন্তু সময়ৰ লগে লগে উটক বুজাবলৈ আৰম্ভ কৰিলে। সম্ভৱতঃ মহ বা মেখোন থকা ঠাইৰ পৰা মানুহবোৰ উট থকা ঠাইলৈ প্ৰব্ৰজন হ'ল আৰু উটক বুজাবলৈ আৰম্ভ কৰিলে। ঠিক তেনেদৰে অসমীয়াত 'বাইদেউ' শব্দটোৱে ডাঙৰ ভনীয়েকক বুজায়। কিন্তু স্কুল, কলেজ আদি শিক্ষানুষ্ঠানত 'বাইদেউ' শব্দটোৱে শিক্ষয়িত্ৰীক বুজোৱা দেখা যায়।

### (খ) আলংকাৰিক প্ৰয়োগজনিত কাৰণ ঃ

সকলোবোৰ ভাষাতে অলংকাৰ লগোৱাৰ প্ৰৱণতা স্বাভাৱিকতে থাকে। অলংকাৰে ভাষাটোক অধিক স্পষ্ট, ৰমনীয় আৰু প্ৰভাৱশীল কৰি তোলে। লগে লগে শব্দৰ অভিধেয় অৰ্থৰ পৰিবৰ্তন ঘটে। যেনে— 'মৌসনা মাত' শব্দগুচ্ছত থকা মৌৰ অভিধেয় অৰ্থ হ'ল এবিধ মিঠা জুলীয়া ৰস। এই ৰস মানুহৰ মাতত কেতিয়াও সানিব বা লগাব নোৱাৰি বা মাতটো কেতিয়াও চাকি চাবও নোৱাৰি। কিন্তু মাতটো মৌসনা বুলি কৈ অতি শুৱলা অৰ্থ প্ৰকাশ কৰিছে। কেতিয়াবা মূৰ্খ ব্যক্তিক পণ্ডিত, অধৰ্মত থকাজনক ধৰ্ম যুধিষ্ঠিৰ আদি শব্দৰ দ্বাৰা তোষামোদ কৰা হয়। এই ক্ষেত্ৰতো আলংকাৰিক প্ৰয়োগ ঘটে।

### (গ) নম্ৰতা প্ৰদৰ্শন ঃ

কেতিয়াবা নম্ৰতা প্ৰদৰ্শন কৰিবলৈ যাওঁতে আচল শব্দটোৰ অৰ্থৰ পৰিবৰ্তন হয়। যেনে— উৰ্দু ভাষাত আঢ্যৱন্ত লোকে নিজৰ নম্ৰতা দেখুৱাবৰ বাবে নিজৰ ঘৰটো যিমানেই অট্টালিকা সদৃশ নহওঁক কিয় 'গৰীবখানা' বুলি কয়। আকৌ সাধাৰণ লোক এজনে নিজৰ সাধাৰণ পজাঘৰটোক 'দৌলতখানা' বুলিকৈ নম্ৰতা প্ৰদৰ্শন কৰে।

সৈতে জড়িত। এইবোৰে শব্দাৰ্থ পৰিবৰ্তনত মুখ্য ভূমিকা গ্ৰহণ কৰে।

সংস্কাৰ হেতু মানুহে কিছুমান শব্দ কোনো কোনো সময়ত উচ্চাৰণ নকৰে। অসমীয়া ভাষাৰ তেনে দুটা শব্দ হ'ল 'চুণ' আৰু 'হালধি'। নিশাৰ ভাগত দোকানলৈ 'চুণ' আৰু 'হালধি' কিনিবলৈ গ'লে দোকানীয়ে বিক্ৰী নকৰে। সেয়ে, গ্ৰাহকে চুণৰ সলনি 'বগা' আৰু 'হালধি'ৰ সলনি 'ৰংগুৱা' শব্দ ব্যৱহাৰ কৰে, অৰ্থাৎ 'চুণ'ৰ অৰ্থ হ'ল 'বগা' আৰু 'হালধি'ৰ হ'ল 'ৰংগুৱা'।

অন্ধবিশ্বাসৰ বাবেও শব্দাৰ্থৰ পৰিবৰ্তন ঘটে। 'বসন্ত ৰোগ' এবিধ মাৰাত্মক ৰোগ। এই ৰোগৰ ভয়াবহতা ঢাকিবৰ বাবে মানুহে ইয়াক 'বসন্ত' নুবুলি 'আই শীতলা'হে বোলে। আমাৰ সমাজত পূজনীয়জনৰ নাম উচ্চাৰণ কৰাটো দোষণীয় বুলি ধাৰণা কৰা হয়। সেয়ে 'তুলসীৰাম'ৰ ভাই-বোৱাৰীয়েকে 'তুলসী পাতৰ ৰস'ক 'ভহিশম্বৰৰ পাতৰ ৰস' বোলে। চেনিৰামৰ ঘৈণীয়েকে আকৌ চেনিক 'মিঠা'হে বোলে।

অজ্ঞতা হেতু অৰ্থৰ পৰিবৰ্তন ঘটা শব্দ এটা হ'ল 'পাষণ্ড'। 'পাষণ্ড' শব্দৰ মূল অৰ্থ আছিল বৌদ্ধ সন্ন্যাসী। এতিয়া 'পাষণ্ড'ৰ অৰ্থ হ'ল 'নিষ্ঠুৰ'। সেইদৰে 'অৱদান' শব্দৰ মূল অৰ্থ আছিল 'মহৎকীৰ্তি'। আজিকালি সকলো প্ৰকাৰ দানক বুজাবলৈ 'অৱদান' শব্দ ব্যৱহাৰ কৰা হয়।

শব্দাৰ্থৰ পৰিবৰ্তনৰ ক্ষেত্ৰত 'সাদৃশ্য'ৰ ভূমিকাত উল্লেখযোগ্য। মানৱদেহৰ সৰ্বোচ্চ অংগ হ'ল মূৰটো। ইয়াৰ সাদৃশ্যত উচ্চতা বুজাবলৈ আন আন শব্দৰ লগতো 'মূৰ' ব্যৱহাৰ কৰা হয়। অশোভনীয় কাৰ্যক শোভনীয় কৰাৰ উদ্দেশ্যে অশোভনীয় স্থানত শোভনীয় শব্দ ব্যৱহাৰ কৰা হয়। ফলস্বৰূপে শোভনীয় শব্দৰ অৰ্থ পৰিবৰ্তন ঘটে। ঘৰত চুৰা বাচন ধোৱা তিৰোতাজনীক 'বাই', মুচীক 'মিস্ত্ৰী' আৰু ৰান্ধনিক 'ঠাকুৰ' বোলাৰ কাৰণ হ'ল অশোভনীয়তাক শোভনীয় কৰাৰ চেষ্টা। এইবোৰত ব্যৱহৃত যথাক্ৰমে 'বাই', 'মিস্ত্ৰী' আৰু 'ঠাকুৰ' শব্দৰ অৰ্থ-পৰিবৰ্তন ঘটিছে।

## ১৮.৩ শব্দাৰ্থ পৰিবৰ্তনৰ ধাৰা (Course of Semantic Change) ঃ

শব্দাৰ্থ পৰিবৰ্তনৰ বিভিন্ন দিশলৈ চাই পণ্ডিতসকলে প্ৰধানকৈ ইয়াৰ পাঁচটা ধাৰাৰ উল্লেখ কৰিছে। এই ধাৰা পাঁচটা হ'ল —

(ক) অৰ্থৰ উন্নতি (Elevation of meaning)
(খ) অৰ্থৰ অৱনতি (Deterioration of meaning)
(গ) অৰ্থৰ প্ৰসাৰ (Narrowing of meaning)
(ঘ) অৰ্থৰ প্ৰসাৰ (Expansion of meaning)
(ঙ) অৰ্থৰ সংক্ৰম (Tranfer of meaning)

**(ক) অৰ্থৰ উন্নতি ঃ**

কোনো এটাৰ শব্দৰ মূল অৰ্থতকৈ প্ৰচলিত অৰ্থটো যদি উচ্চতৰ ভাব প্ৰকাশক হয়, তেতিয়াই তাক অৰ্থৰ উন্নতি বোলা হয়। যেনে— মন্দিৰ শব্দৰ মূল অৰ্থ আছিল 'ঘৰ'। এতিয়া 'মন্দিৰ' বুলিলে দেৱ গৃহক বুজায়। সেইদৰে 'সম্ভ্ৰম' শব্দৰ মূল অৰ্থ 'ভয়'। আজিকালি শব্দটো মান্যতা বুজোৱাত ব্যৱহৃত হয়। এয়েই অৰ্থৰ উন্নতি।

**(খ) অৰ্থৰ অৱনতি ঃ**

কোনো শব্দৰ মূল অৰ্থতকৈ প্ৰচলিত অৰ্থ যদি তুলনামূলকভাৱে নিম্নস্তৰৰ হয়, তেতিয়া তাক কোৱা হয় অৰ্থৰ অৱনতি। যেনে— 'ইতৰ' শব্দৰ মূল অৰ্থ আছিল ভিন্ন। আজিকালি 'ইতৰ' শব্দই নীচ লোকক বুজায়। সেইদৰে 'ৰাগ' শব্দৰ মূল অৰ্থ 'আকৰ্ষণ'। আজিকালি 'খং' অৰ্থত 'ৰাগ' শব্দৰ ব্যৱহাৰ হয়। 'দেৱীৰ' মূল অৰ্থ 'দেৱকন্যা'। আজিকালি তিৰোতাই 'দেৱী' উপাধি লিখে। যেনে— শ্ৰীমতী সৰলা দেৱী

**(গ) অৰ্থৰ সংকোচঃ**

কোনো এটা শব্দৰ একাধিক অৰ্থ থাকিলে আৰু সেইবোৰৰ মাজত কোনো এটাই প্ৰাধান্য লাভ কৰিলে, অথবা কোনো এটা কাৰণবাচক শব্দই কাৰ্যবাচক শব্দৰ স্থানঅধিকাৰ কৰিলে অৰ্থৰ সংকোচ ঘটে। যেনে— 'কৃপণ' শব্দৰ মূল অৰ্থ 'কৃপাৰ পাত্ৰ'। আজিকালি ই ব্যয় কৰিবলৈ কুণ্ঠাবোধ কৰা লোকক বুজায়। 'মৃগ' শব্দৰ মূল অৰ্থ 'পশু'। সম্প্ৰতি 'মৃগ'ই হৰিণক বুজায়। সংস্কৃত 'পৰ্ণ' শব্দৰ পৰা উৎপত্তি হোৱা পাণ শব্দই আজিকালি সকলো বৃক্ষৰ গছৰ পাতকে নুবুজাই এক বিশেষ ধৰণৰ 'পাত'ক হে বুজায়। কামৰূপীত 'কৰ্মা' মানে হ'ল মিস্তিৰি। পিছে শব্দটো 'ভনী-জোঁৱায়েক' অথবা 'পত্নীৰ ককায়েক'ক বুজোৱাতো প্ৰয়োগ হয়। 'বিলাত' শব্দৰ অৰ্থ বিদেশ। আজিকালি 'বিলাত' বুলিলে আমি লণ্ডনকেই বুজোঁ। এয়েই অৰ্থ সংকোচ।

**(ঘ) অৰ্থৰ প্ৰসাৰ ঃ**

যেতিয়া কোনো শব্দৰ অৰ্থই নিৰ্দিষ্ট সীমা অতিক্ৰম কৰি বিস্তাৰ লাভ কৰে, তেতিয়া তাক কোৱা হয় অৰ্থৰ প্ৰসাৰ। যেনে— এসময়ত বৰ্ষা কালত বছৰ আৰম্ভ হৈছিল। সেই কাৰণে বছৰক বৰ্ষ বোলা হয়। 'গংগা' ভাৰতৰ এটা প্ৰখ্যাত নদী। ইয়াৰ পৰা উৎপত্তি হোৱা 'গঙ্গা' শব্দই আজিকালি যি কোনো নদীকেই বুজায়। যাৰ ধন আছে তেৱেঁই আছিল ধনী। আজিকালি ধনী শব্দই সৌভাগ্যবান অৰ্থ প্ৰকাশ কৰে। 'বিভীষণ' 'বদন' আদি নামবাচক শব্দবোৰ আজিকালি 'বিশ্বাসঘাতক'ৰ প্ৰতিশব্দ ৰূপে সঘনাই ব্যৱহৃত হয়। সেইদৰে 'ধাৰ্মিক' অৰ্থত 'যুধিষ্ঠিৰ' 'শান্ত' অৰ্থত লক্ষ্মী শব্দৰ প্ৰয়োগো সুলভ। এয়েই অৰ্থ বিস্তাৰ।

(ঙ) অৰ্থ সংক্ৰমণ ঃ

শব্দাৰ্থৰ সংকোচ আৰু প্ৰসাৰৰ ফলত কোনো শব্দৰ মূল অৰ্থৰ লগত প্ৰচলিত অৰ্থৰ সম্পৰ্ক সম্পূৰ্ণভাৱে বিলুপ্ত হৈ যায়। ইয়াকেই অৰ্থ সংক্ৰম বোলে। যেনে— প্ৰসাদ শব্দৰ মূল অৰ্থ হ'ল 'অনুগ্ৰহ'। সম্প্ৰতি 'প্ৰসাদ'ৰ অৰ্থ হ'ল নিবেদিত বস্তু। 'অনুগ্ৰহ'ৰ লগত 'নিবেদিত বস্তু'ৰ কোনো সম্পৰ্ক বিচাৰি পোৱা নাযায়। সেইদৰে 'শুশ্ৰূষা'ৰ মূল অৰ্থ 'শুনাৰ আগ্ৰহ'। সাম্প্ৰতিক কালত 'শুশ্ৰূষা'ৰ অৰ্থ হ'ল 'সেৱা'। 'প্ৰবন্ধ'ৰ মূল অৰ্থ প্ৰকৃষ্ট বন্ধন যাৰ। আজিকালি 'ৰচনা'কো প্ৰবন্ধ শব্দেৰে বুজোৱা হয়। যাৰ গৰু একে ঠাইতে থাকে তাক বোলা হৈছিল 'গোষ্ঠী'। এতিয়া 'গোষ্ঠী' শব্দই একে বংশৰ লোকক বুজায়। 'গৱেষণা' শব্দৰ মূল অৰ্থ 'গৰু বিচৰা'। আজিকালি তাৰ অৰ্থ হ'ল 'অনুসন্ধান'। 'বৰ' শব্দৰ মূল অৰ্থ নিৰ্বাচনকাৰী। এতিয়া 'বৰ' শব্দই কন্যাৰ স্বামীক বুজায়। 'লৌহ' শব্দৰ মূল অৰ্থ ৰঙা ৰঙৰ ধাতু। এতিয়া লৌহ শব্দই লোহাক বুজায়। এয়েই অৰ্থ সংক্ৰম। •

তুমি এতিয়াই ঘৰলৈ যোৱা। ইত্যাদি।

(৪) ইচ্ছা সূচক বাক্য ঃ (মনৰ ইচ্ছা প্ৰকাশক)

→ ঈশ্বৰে তোমাক দীৰ্ঘজীৱি কৰক।

পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হোৱা। ইত্যাদি।

(৫) সন্দেহাত্মক বাক্য ঃ (সন্দেহ অৰ্থ প্ৰকাশক)

→ কিজানি সি নহয়। ইত্যাদি।

(৬) অৱস্থা সাপেক্ষ বাক্য ঃ (পৰিস্থিতিগত অৱস্থা প্ৰকাশক)

→ তুমি যদি সেই সময়ত থাকিলাহেতেন, এনে অথন্তৰ নঘটিলহেঁতেন।

সি বাছ ষ্টেশুত বৈ থাকে যদি মই যাব পাৰিম।

(৭) আশ্চৰ্য্য বোধক বাক্য ঃ (আশ্চৰ্য্য বা বিস্ময় আদি প্ৰকাশক)

→ বাঃ দেখিবলৈ কিমান সুন্দৰ।

উঃ ভৰি খনত বিষ উঠিল। ইত্যাদি।

(৮) নঞৰ্থক বাক্য ঃ (নহয় বোধ প্ৰকাশক)

→ ল'ৰাটো ঘৰলৈ ঘুৰি নাহিল।

আজি কালি সি ঘৰৰ পৰা নোলায়। ইত্যাদি।

## (ঘ) অৰ্থবিজ্ঞান /অৰ্থতত্ত্ব (Semantics) ঃ

ভাষা বিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ স্তৰ হ'ল অৰ্থ বিজ্ঞান বা অৰ্থতত্ত্ব। কোনো এটা ভাষাৰ অৰ্থ আৰু তাৰ প্ৰকাশৰ অধ্যয়নেই হ'ল অৰ্থ বিজ্ঞান। ভাষাৰ শাব্দিক ৰূপৰ বাহ্যিক জগতৰ লগত সম্পৰ্ক বিচাৰ আৰু তাৰ দ্বাৰা কিদৰে ভাব বিনিময় হয় তাৰ বিশ্লেষণেই হ'ল অৰ্থবিজ্ঞানৰ উদ্দেশ্য। কোনো কোনো পণ্ডিতে এই স্তৰটোক অৰ্থতত্ত্ব, বাগতত্ত্ব, শব্দাৰ্থ বিজ্ঞান, শব্দাৰ্থতত্ত্ব আদি নামেৰে প্ৰকাশ কৰিব খোজে। অৰ্থ বিজ্ঞান শব্দটো ইংৰাজী Semantics শব্দটোৰ অসমীয়া পৰিভাষা। Semantics শব্দটোৰ অৰ্থ অতি ব্যাপক। ই কথা বা উক্তি (speech) আৰু ভাষা (Language) উভয়কে সামৰি লয়। অৰ্থ বিজ্ঞান বুলিলে অৰ্থ শব্দই দুই ধৰণে অৰ্থ প্ৰকাশ কৰে। এক অৰ্থত অৰ্থ শব্দই ধন সম্পত্তি, টকা-পইচাক বুজায় যদিও আমাৰ এই বিশ্লেষণত মানুহৰ উক্তি বা কোৱা কথাৰ দ্বাৰা ভাব বিনিময়ৰ মূল্যাক বুজোৱা হৈছে। ভাষা বিজ্ঞানীসকলে ভাষা বিশ্লেষণত

ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু বাক্যতত্ত্বৰ বিশ্লেষণৰ পিছত মানুহে ভাব বিনিময়ৰ বাবে গ্ৰহণ কৰা বাক্যৰ ব্যৱহাৰত প্ৰকাশ পোৱা অৰ্থ আৰু তাত ব্যৱহৃত শব্দৰ প্ৰসঙ্গ অনুযায়ী হোৱা বিভিন্ন অৰ্থৰ বিজ্ঞানসম্মত বিশ্লেষণ কৰিবলৈ আগ্ৰহান্বিত হৈছে। যাক অৰ্থবিজ্ঞান বুলি কোৱা হৈছে। ইয়াকে কৰিবলৈ যাওঁতে ভাষা বিজ্ঞানীসকলে অৰ্থৰ অৰ্থ (the meaning of meaning), ভাব বিনিময়ৰ বিভিন্ন প্ৰণালী সমূহ যেনে— অৰ্থৰ পৰিবৰ্তন, পৰিবৰ্তনৰ ধাৰা আদিও সামৰি লবলগীয়া হয়।

## অৰ্থৰ স্বৰূপ ঃ

মানুহে মুখেৰে উচ্চাৰিত ধ্বনি, ৰূপ আৰু শব্দৰ প্ৰণালীবদ্ধ সংযোজনত মনৰ ভাব প্ৰকাশ কৰা ভাষাগত ৰূপসমূহৰ একোটা অৰ্থ অন্তৰ্নিহিত হৈ থাকে। এইদৰে হোৱা ভাষা ব্যৱহাৰৰ অন্তৰ্নিহিত অৰ্থ তাৰ স্বৰূপ, আদিবোৰ একো একোটা বিষয়।

অৰ্থৰ অৰ্থ বিচাৰ বা মানে বিচাৰ এক জটিল কাম। দাৰ্শনিক, মনোবিজ্ঞানী, ভাষাবিজ্ঞানী, সাহিত্য সমালোচক, আলংকাৰিক, বৈজ্ঞানিক আদি বিভিন্ন পণ্ডিতে বিভিন্ন দৃষ্টিকোণৰ পৰা অৰ্থৰ অৰ্থ বিচাৰ কৰিছে। সংস্কৃত পণ্ডিত ভতৃহৰিয়ে তেওঁৰ বাক্য পদীয়ত অৰ্থ সম্বন্ধে এইদৰে উল্লেখ কৰিছে।

"যস্মিস্তুচ্চৰিতে শব্দে যদা যোহাৰ্থঃ প্ৰতীয়তে

তমাহুৰৰ্থ তস্যৈৱ নানাৰ্থস্য লক্ষণম।" অৰ্থাৎ "শব্দ উচ্চাৰণ কৰোতে যি ধাৰণা হয়, সেয়ে তাৰ অৰ্থ। অৰ্থৰ আন কোনো বেলেগ লক্ষণ নাথাকে।"


C. K. Ogden আৰু I. A. Richards নামৰ পণ্ডিত দুগৰাকীয়ে তেওঁলোকৰ ৰচিত The meaning of Meaning নামৰ গ্ৰন্থত বিভিন্ন দৃষ্টিকোণৰ ওপৰত ভিত্তি কৰি অৰ্থ শব্দৰ বাইশটা অৰ্থ বা মানেৰ বিষয়ে উল্লেখ কৰিছে।[১৬] তেওঁলোকে দৰ্শন, মনোবিজ্ঞান, অলংকাৰ, সাহিত্য, ভাষা আদি বিষয়ৰ ওপৰত দৃষ্টি ৰাখি অৰ্থৰ মানেবোৰ উল্লেখ কৰিছে।

Ogden & Richards এ এটা ত্ৰিভূজৰ সহায়ত অৰ্থৰ ব্যাখ্যা আগবঢ়াইছে। ত্ৰিভূজটো চিহ্ন, ভাব বা ধাৰণা আৰু সূচিত বিষয়ৰ দ্বাৰা গঠিত। এই ত্ৰিভূজক

অৰ্থ ত্ৰিভুজ (Semiotic Triangle) বোলা হয়।

ভাব বা ধাৰণা

Thought or reference



চিহ্ন

Symbol

সূচিত বিষয়

Referent

তেওঁলোকৰ মতে চিহ্ন হ'ল ভাষাগত উপাদান। যেনে— ধ্বনি, শব্দ, বাক্য ইত্যাদি। সূচিত বিষয় হ'ল বাহ্যজগতৰ বস্তু সমূহ। আৰু ভাব বা সূচনাই মানুহৰ মনত চিহ্নই দিয়া ধাৰণা বা ভাবক বুজায়। এই তত্ত্ব অনুসৰি ভাষাগত সম্পৰ্ক স্থাপন কৰে। ভাষাৰ বাহ্য জগতৰ বিষয় বস্তুৰ লগত পোনপটীয়া সম্পৰ্ক নাই। বাহ্যজগতৰ বিষয় বস্তুৰ লগত ভাব বা ধাৰণাৰ দ্বাৰাহে শব্দৰ বা বাক্যৰ সম্পৰ্ক ঘটে। অৰ্থ ত্ৰিভুজ অনুসৰি চিহ্ন বা ভাষাগত উপাদান আৰু ভাব বা ধাৰণাৰ মাজত থকা সম্পৰ্ক মূলতঃ মনস্তাত্ত্বিক কাৰণ যেতিয়াই আমি এটা শব্দ বা বাক্য উচ্চাৰণ কৰো লগে লগে মনত এটা ধাৰণাৰ উদ্ৰেক হয়। কোনো কোনো পণ্ডিতে কব খোজে যে— কোনো এটা বিষয় সম্পৰ্কে ধাৰণা কৰিবলৈ হলে মানুহৰ মনৰ মাজত বাহ্যজগতৰ বাস্তৱ বস্তু অনুৰূপে একোখনি ভাব চিত্ৰ গঢ়লৈ থাকিব লাগে। মানুহৰ অন্তৰত থকা তেনে একোখনি ভাব চিত্ৰই ভাষাৰ মাধ্যমেৰে শব্দ বা বাক্য ৰূপে প্ৰকাশ পায়। তেনেদৰে বক্তাই অন্তৰত থকা ভাব চিত্ৰক শব্দ বা বাক্য ৰূপে প্ৰকাশ পায়। তেনেদৰে বক্তাই অন্তৰত থকা ভাব চিত্ৰক শব্দ বা বাক্যৰ দ্বাৰা প্ৰেৰণ কৰিলে শ্ৰোতাই তেওঁৰ ভিতৰত থকা ভাব চিত্ৰ পূৰ্বজ্ঞানৰ পৰা বক্তাৰ প্ৰেৰিত ভাবচিত্ৰক বাস্তৱ জগতৰ পৰা গ্ৰহণ কৰিব পাৰে। মানুহৰ মনত পূৰ্বজ্ঞান স্বৰূপে ভাবচিত্ৰ (image) গঢ় লওঁতে কেইটামান কথাৰ ওপৰত ভিত্তি কৰা হয়। সেইকেইটা হ'ল—

(ক) কোনো ভাষাৰ ভাষাগত ৰূপ যেনে— শব্দ, বাক্য ইত্যাদি।

(খ) বাস্তৱ জগতৰ বস্তু বা জীৱৰ বাস্তৱ আকৃতি বা আকাৰ।

(গ) অন্বয়ন সহ একক স্থিতি (Individuality with attributive)
(ঘ) স্বাভাবিক লক্ষণ সার্বজনীনতা (Universality with natural facts)

## অৰ্থ বিশ্লেষণৰ ধাৰা ঃ

অৰ্থ বিশ্লেষণ দুটা দৃষ্টিকোণৰ পৰা কৰা হয়।
(১) ঐতিহাসিক আৰু (Historical)।
(২) গঠনাত্মক বা বৰ্ণনাত্মক (Structural)।

## ঐতিহাসিক দৃষ্টিভঙ্গী ঃ

ঐতিহাসিক দৃষ্টিকোণৰ পৰা অৰ্থৰ বিশ্লেষণ কৰিলে, অৰ্থৰ সংজ্ঞাৰ লগতে অৰ্থৰ প্ৰকাৰ, সময়ৰ লগে লগে হোৱা অৰ্থৰ পৰিবৰ্তন, অৰ্থ পৰিবৰ্তনৰ অন্তৰালত থকা বিভিন্ন কাৰণ সমূহ, পুৰণি শব্দৰ লোপ, নতুন শব্দৰ সৃষ্টি আদি বিষয়সমূহ সামৰি লোৱা হয়।

## অৰ্থৰ প্ৰকাৰ (Types of meaning) ঃ

শব্দ বা বাক্যৰ মাধ্যমেৰে বক্তাই প্ৰেৰিত মনৰ ভাব শ্ৰোতাই গ্ৰহণ কৰোতে কোনো কোনো সময়ত একেদৰে গ্ৰহণ কৰে। আৰু কেতিয়াবা প্ৰেৰিত অৰ্থ গ্ৰহণ নকৰি বিপৰীত বা অন্য অৰ্থহে গ্ৰহণ কৰে। কাৰণ বক্তাই প্ৰেৰিত বাক্যত হোৱা শব্দৰ সংযোজনৰ ওপৰত শ্ৰোতাৰ অৰ্থ গ্ৰহণ অতি নিৰ্ভৰশীল। সেয়েহে শব্দৰ সংযোজনৰ ওপৰত নিৰ্ভৰ কৰি অৰ্থ বিভিন্ন ধৰণৰ হব পাৰে। সেইবোৰৰ ভিতৰত (ক) অভিধেয় অৰ্থ (Conceptual meaning) (খ) লক্ষ্যাৰ্থ (Connotative meaning) (গ) ব্যঙ্গাৰ্থ (Non-natural meaning) (ঘ) আনুভূতিক অৰ্থ (Emotive meaning) (ঙ) উদ্দিষ্টাৰ্থ (Thematic meaning)।

## অভিধেয় অৰ্থ ঃ

বাক্যত ব্যৱহাৰ হোৱা শব্দবোৰৰ ইটোৰ লগত আনটোৰ সম্পৰ্ক স্থাপন কৰি বক্তাই অভিপ্ৰায় প্ৰকাশ কৰাকে অভিধেয় অৰ্থ বোলে। বাক্যত ব্যৱহৃত

শব্দবোৰে স্বাভাৱিক ভাবে সূচনা কৰিব পৰা অৰ্থক বুজায় আৰু দৃশ্যমান বা দৃশ্যমান নোহোৱা সকলো বাস্তৱ জগতৰ বস্তুৰ একোটা ভাব চিত্ৰ আনি দিয়ে। অভিধেয় অৰ্থ গ্ৰহণৰ বাবে বাস্তৱ জগতৰ বস্তু সম্পৰ্কে পূৰ্বজ্ঞান তথা সেই সম্পৰ্কে স্বাভাৱিক ধাৰণা শক্তিৰ প্ৰয়োজন। অৰ্থবিজ্ঞানত ভাষাৰ অভিধেয় অৰ্থ বিশ্লেষণ হ'ল মুখ্য বিষয়। যেনে— 'গৰু' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে গল-কম্বল বিশিষ্ট চাৰিঠেঙীয়া জন্তুটোৰ অৰ্থ মনত উদয় হয়। ইয়ে অভিধেয় অৰ্থ। 'গৰুৰ দুটা শিং থাকে' বাক্যটি কোৱাৰ লগে লগে গলকম্বল বিশিষ্ট চাৰিঠেঙীয়া জন্তুটোৰ মূৰত থকা টান, অলপ দীঘলীয়া, আগটো জোঙা অংগ দুটাৰ কথা মনলৈ আহে। ইয়ে হ'ল অভিধেয় অৰ্থ।

## (খ) লক্ষ্যাৰ্থ ঃ

বাক্যত ব্যৱহাৰ হোৱা শব্দবোৰে সূচনা কৰা অভিধেয় অৰ্থতকৈ তাৰ লক্ষণা গুণৰ বাবে আন এটা অৰ্থ মনলৈ আনে। তেনে অৰ্থকেই লক্ষ্যাৰ্থ বোলা হয়। লক্ষণা গুণ মানে কোনো শব্দ বা বাক্যৰ মুখ্য অৰ্থ বা অভিধেয় অৰ্থ অচল হৈ পৰে। তেতিয়া অভিধেয় অৰ্থৰ লগত কিবা সম্বন্ধে মিল থকা আন এটা গ্ৰহণ কৰিবলগীয়া হয়। ইয়ে লক্ষণা গুণ। যেনে— 'এই গৰুবোৰক পঢ়াই লাভ নাই' বাক্যটোৰ 'গৰুবোৰে' কেতিয়াও পঢ়িব নোৱাৰে। পঢ়াৰ লগত সম্বন্ধ ছাত্ৰৰহে থাকে। গতিকে গৰুবোৰ বুলি কওঁতে শ্ৰোতাই মূৰ্খ ছাত্ৰবোৰৰ অৰ্থহে গ্ৰহণ কৰিব। এনেদৰে 'গৰুবোৰ' শব্দৰ অভিধেয় অৰ্থ অচল হৈ পৰাত তাৰ লগত কিবা সম্বন্ধে মিল থকা আন এটা অৰ্থ 'মূৰ্খ ছাত্ৰবোৰৰ' অৰ্থ গ্ৰহণ কৰাটো হ'ল লক্ষ্যাৰ্থ।

সাধাৰণতে বক্তাৰ উচ্চাৰিত বাক্যৰ লগত অভিধেয় অৰ্থ খাপ নাখালে, অথবা বক্তাৰ উচ্চাৰিত বাক্যত বিশেষ অভিপ্ৰায় থাকিলে, বাক্যত অভিপ্ৰেত অৰ্থৰ লগত সম্পৰ্ক থকা লক্ষ্যাৰ্থৰ প্ৰকাশ হয়।

## (গ) ব্যঙ্গাৰ্থ ঃ

বাক্যত ব্যৱহৃত শব্দবোৰে কেতিয়াবা কেতিয়াবা অভিধেয় অৰ্থ আৰু লক্ষ্যাৰ্থই ঢুকি নোপোৱা আন এটা অৰ্থ প্ৰকাশ কৰে। এনে অৰ্থকে ব্যঙ্গাৰ্থ বোলা হয়। যেনে— "ঘৰৰ গৃহস্থ জনে যদি সকীয়াই কয়— 'হেৰ গৰু গাই

আহিল' গৃহিনীয়ে বুজিলে গধুলি হয়হে, ৰান্ধনী ঘৰত সোমাবলৈ গা-ধুবৰ হ'ল। চোতালত খেলি থকা ল'ৰা-ছোৱালী কেইটাই বুজিলে খেল সামৰিবৰ হ'ল। এই একেষাৰ কথাৰ পৰা গৰু নামৰ জন্তু পথাৰৰ পৰা ঘৰলৈ অহা অৰ্থটো হ'ল অভিধেয় বা মুখ্য অৰ্থ। এই অৰ্থৰ উপৰিও 'গাধুবলৈ যাবৰ হ'ল, 'খেল সামৰিবৰ হ'ল' আদি ধৰণে ভিন ভিন শ্ৰোতাই ভিন ভিন ধৰণে গ্ৰহণ কৰিলে। ইয়াত গৰু গাই ঘৰলৈ অহাটো এক স্বাভাৱিক কাৰ্য্য। সেয়েহে এই বাক্যটোৰ অৰ্থ স্বাভাৱিক ভাবে পোৱা যায়। 'গৰু গাই আহিল' এই বাক্যটোৰ অভিধেয় অৰ্থ গ্ৰহণ কৰাৰ পিছতহে 'গা-ধুবলৈ যাবৰ হ'ল', 'খেল সামৰিবৰ হ'ল' আদি অৰ্থ পোৱা গ'ল। গৰু গাই বুলি নকৈ অন্য জন্তু আহিল বুলি কলে শ্ৰোতাই এই অৰ্থবোৰ গ্ৰহণ নকৰিলেহেতেন। গতিকে 'গৰু আহিল' ইয়াৰ অভিধেয় অৰ্থটো প্ৰথমে গ্ৰহণ কৰাৰ পিছত গাধুবলৈ যাবৰ হ'ল, খেল সামৰিবৰ হ'ল আদি যিবোৰ অৰ্থ গ্ৰহণ কৰা হ'ল সেইবোৰ অভিধেয় অৰ্থৰ লগত কোনো সম্পৰ্ক নাই। এইদৰে অভিধেয় অৰ্থ ওলোৱাৰ পিছত তাৰ লগত সম্বন্ধ নথকা এটা নতুন অৰ্থ প্ৰকাশ পালে সেইটোৱে ব্যাঙ্গাৰ্থ।

### (ঘ) আনুভুতিক অৰ্থ ঃ

বক্তাই কোৱা কোনো শব্দ বা বাক্যই তাৰ অভিধেয় অৰ্থ এৰি লক্ষ্যাৰ্থ প্ৰকাশ কৰাৰ লগতে শ্ৰোতাৰ অনুভূতি স্পৰ্শ কৰে আৰু শ্ৰোতাৰ অন্তৰত আঘাট লাগে। এনেদৰে অনুভূতি স্পৰ্শ কৰা অৰ্থক আনুভূতিক অৰ্থ বোলা হয়। যেনে— গৌড় দেশৰ পৰা অহা লোকক পুৰণিকালৰে পৰা 'গৰীয়া' শব্দেৰে বুজোৱা হয়। গৌড়ৰ লোক বাবে 'গৰীয়া' শব্দৰে বুজোৱা হয় যিহেতু এই শব্দটোৱে অনুভূতিত আঘাত কৰিব নালাগে। কিন্তু অসমত 'গৰীয়া' শব্দটো ব্যৱহাৰ কৰিলে হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ লোকে গালি বুলি বিবেচনা কৰে।[১৭]

### (ঙ) উদ্দিষ্টাৰ্থ (Thematic meaning) ঃ

বক্তাই উচ্চাৰিত শব্দ বা বাক্যই যেতিয়া কোনো ভাব বা খবৰৰ ওপৰত গুৰুত্ব দিয়ে অৰ্থাৎ নিৰ্দিষ্ট ভাবৰ ওপৰত গুৰুত্ব দিয়ে তাকেই উদ্দিষ্টাৰ্থ বোলা হয়। যেনে—

(১) পকা আমটো আনিবা।

(২) পকা আমটোহে আনিবা।

বাক্য দুটাৰ অৰ্থ একে যেন লাগিলেও ২নং বাক্যটোৰ অৰ্থ বেলেগ ধৰণে প্ৰকাশ পাইছে। ১নং বাক্যত পকা আম এটা অনাৰ ভাব বা বাতৰি প্ৰকাশ কৰা হৈছে। কিন্তু ২নং বাক্যই কেবল পকা আমটোহে অনাৰ কথা প্ৰকাশ কৰিছে। সকলোবোৰ আমৰ কথা কোৱা নাই। সাধাৰণতে বাক্যত প্ৰয়োজন অনুসাৰে সুৰ, শ্বাসঘাত আদি প্ৰয়োগ কৰিলে উদ্দিষ্টাৰ্থ সূচক বাক্যত পৰিণত হয়।

## অৰ্থ পৰিবৰ্তনৰ ধাৰা ঃ

ভাষা পৰিবৰ্তনশীল। পৰিবৰ্তনশীল ভাষা সময়ৰ লগে লগে শব্দত থকা ধ্বনি, শব্দৰ অৰ্থ আদিবো পৰিবৰ্ত্তন হয়। কোনো এটা সম্প্ৰদায়ে ব্যৱহাৰ কৰি অহা শব্দৰাজি তেওঁলোকৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আদি পৰিবৰ্তনৰ লগে লগে তাৰ অৰ্থগত ধাৰণাবো তাৰতম্য হয়। শব্দৰ এনেধৰণে হোৱা পৰিবৰ্তন অতি বৈচিত্ৰ্যপূৰ্ণ। সেয়েহে শব্দৰ অৰ্থৰ পৰিবৰ্তনক তিনিটা ধৰণে ভাগ কৰিব পাৰে— (ক) অৰ্থ বিস্তাৰ (Expansion of meaning) (খ) অৰ্থ সংকোচ (Contraction of meaning) আৰু (গ) অৰ্থ সংশ্লেষ (Transference of meaning)। ইহঁতক অৰ্থ পৰিবৰ্তনৰ ত্ৰিধাৰা বুলি কোৱা হয়।

## অৰ্থ বিস্তাৰ ঃ

সীমিত আৰু নিৰ্দিষ্ট অৰ্থ প্ৰকাশ কৰা কিছুমান শব্দই সময়ৰ লগে লগে তাৰ সীমিত পৰিসৰ অতিক্ৰমি ব্যাপক অৰ্থ প্ৰকাশ কৰিবলৈ লোৱা দেখা যায়। শব্দৰ এনে পৰিবৰ্তনক অৰ্থ বিস্তাৰ বোলা হয়। যেনে— 'প্ৰৱীণ' শব্দই পোনতে বীণ বজোৱা লোকক বুজাইছিল। বৰ্তমান যিকোনো কাম নিপুণ ভাবে কৰিব পৰাজনক প্ৰৱীণ আখ্যা দিয়া হয়। যেনে— প্ৰৱীণ খেলুৱৈ, প্ৰৱীণ সাহিত্যিক ইত্যাদি। ইংৰাজী glass (আইনা) শব্দটো অসমীয়াত গিলাচ শব্দ ৰূপে ব্যৱহাৰ কৰা হয় অৰ্থাৎ আয়নাৰ দ্বাৰা নিৰ্মিত পানী খোৱা পাত্ৰ। বৰ্তমান গিলাচ বুলিলে কাহ, পিতল, তাম, চীনামাটি, শিল আদিৰে নিৰ্মিত পানী খোৱা পাত্ৰক বুজাবলৈ লোৱা দেখা গৈছে। গিলাচ শব্দৰ অৰ্থৰ বিস্তাৰ হৈছে।

### (খ) অৰ্থসংকোচ ঃ

কিছুমান শব্দই পূৰ্বতে তাৰ যি অৰ্থ আছিল সময়ৰ লগে লগে তাৰ সলনি ঠেক অৰ্থ প্ৰকাশ কৰিবলৈ লয়। অৰ্থ সংকোচ অৰ্থ বিস্তাৰৰ বিপৰীত প্ৰক্ৰিয়া। যেনে— ইংৰাজী ভাষাৰ man শব্দই মতামাইকী উভয়কে বুজাইছিল। বৰ্তমান ই কেৱল মতামানুহৰ অৰ্থ প্ৰকাশ কৰে। ইংৰাজী meat শব্দই যিকোনো আহাৰক বুজাইছিল। বৰ্তমান কেৱল মাংসক বুজাবলৈ লোৱাত তাৰ অৰ্থ সংকোচন ঘটিছে।

### (গ) অৰ্থ সংশ্লেষ ঃ

কিছুমান শব্দই এটা সময়ত যি অৰ্থ প্ৰকাশ কৰিছিল সময়ৰ লগে লগে অন্য এটা অৰ্থ প্ৰকাশ কৰিবলৈ লোৱা দেখা যায়। অৰ্থৰ এনে পৰিবৰ্তনক অৰ্থসংশ্লেষ বোলা হয়। যেনে— অসমীয়া ভাষাত 'চহকী' শব্দই খেতি কৰা লোকজনক বুজাইছিল। বৰ্তমান ধন সম্পত্তিৰে সমৃদ্ধ লোকজনক চহকী বোলা হয়। ভদ্ৰ শব্দৰ অৰ্থ ভাল, শ্ৰেষ্ঠ, সাধু ইত্যাদি যদিও বৰ্তমান ভাল সাজ পাৰ পিন্ধা লোকক বুজাবলৈ লোৱা দেখা গৈছে। অৰ্থৰ এনে পৰিবৰ্তনক অৰ্থ সংশ্লেষ বোলা হয়।

শব্দৰ অৰ্থ পৰিবৰ্তনৰ ক্ষেত্ৰত দেখা যায় যে কিছুমান শব্দৰ মূল অৰ্থতকৈ পৰিবৰ্তিত অৰ্থটো কিছু উচ্চখাপৰ বা ভাল অৰ্থ এটা প্ৰকাশ কৰে। এনে পৰিবৰ্তনক অৰ্থোৎকৰ্ষ বা অৰ্থৰ উন্নতি বোলা হয়। যেনে— 'মন্দিৰ' শব্দৰ মূল অৰ্থ আছিল 'ঘৰ'। বৰ্তমান মন্দিৰ শব্দই দেৱগৃহক বুজাবলৈ লোৱাত শব্দটোৰ অৰ্থোৎকৰ্ষ ঘটিছে।

আনহাতে যিবোৰ শব্দৰ অৰ্থ পূৰ্বৰ অৰ্থতকৈ বেয়া বা নিম্নস্তৰৰ হয়, তেনে অৰ্থৰ পৰিবৰ্তনক অৰ্থাপকৰ্ষ বা অৰ্থৰ অৱনতি বুলি কোৱা হয়। যেনে— পুৰণি অসমীয়াত 'ঠাকুৰ' শব্দই ভগৱানক বুজাইছিল। বৰ্তমান 'ঠাকুৰ' শব্দই ৰান্ধনিক বুজাবলৈ লৈছে। ঠাকুৰ শব্দৰ অৰ্থাপকৰ্ষ হৈছে।

### অৰ্থ পৰিবৰ্তনৰ কাৰণ ঃ

অৰ্থ পৰিবৰ্তনৰ কাৰণ বুলি কলে এক কথাত তাৰ উত্তৰ দিব নোৱাৰি। অৰ্থ পৰিবৰ্তনৰ লগত মনস্তত্ব ওতঃপ্ৰোত ভাবে জড়িত বুলি কব লাগিব। তাৰ

অলংকাৰৰ প্ৰয়োগৰ বাবে শব্দাৰ্থৰ পৰিবৰ্তন ঘটে। উদাহৰণঃ প্ৰাচীন ভাৰতত বীণাবাদনত দক্ষজনক কোৱা হৈছিল প্ৰবীণ। সাম্প্ৰতিক কালত বয়সত জ্যেষ্ঠজনক বুজোৱাত 'প্ৰবীণ' শব্দ ব্যৱহৃত হয়। 'প্ৰবীণ'ৰ লগত এতিয়া আৰু বীণা বজোৱাৰ কোনো সম্পৰ্ক নাই।

গুজৰাটী 'হৰতাল' শব্দটোৰ অৰ্থ হাতেৰে তালি দিয়া। এতিয়া এই শব্দটো 'ধৰ্মঘট' অৰ্থত ব্যৱহৃত হয়। সেইদৰে 'শ্বাপদ'ৰ মূল অৰ্থ হ'ল — কুকুৰৰ নিচিনা ঠেং যাৰ। এতিয়া 'শ্বাপদ' বুলিলে হিংস্ৰ জন্তুকহে বুজোঁ। 'শাখা', 'কাণ্ড' আদি শব্দ গছৰ অংগৰ লগতহে যুক্ত। কিন্তু 'কাব্যৰ শাখা' বা 'অযোধ্যাকাণ্ড' বুলিলে আমি গছৰ অংগক নুবুজোঁ, বুজোঁ সাহিত্যৰ অংগকহে। এনেকেবোৰেই শব্দৰ আলংকাৰিক প্ৰয়োগ আৰু এই শব্দবোৰৰ অৰ্থৰ পৰিবৰ্তন ঘটিছে আলংকাৰিক কাৰণত।

## (খ) পৰিবেশগত কাৰণ ঃ

স্থান, কাল আৰু পাত্ৰৰ পৰিবৰ্তন হেতু অনেক শব্দৰ অৰ্থৰ পৰিবৰ্তন ঘটা দেখিবলৈ পাওঁ। উদাহৰণ স্বৰূপে, ইংৰাজী ভাষাত 'glass' শব্দই কাঁচেৰে নিৰ্মিত পানী খোৱা পাত্ৰক বুজায়। অসমত glass ৰ পৰা সৃষ্টি হোৱা গিলাচ শব্দই অকল কাঁচেৰে নিৰ্মিতকে নহয়, পিতল, কাঁহ আদি যিকোনো ধাতুৰে নিৰ্মিত পানী খোৱা পাত্ৰক বুজায়। অসমীয়াত 'শাক' বুলিলে সেউজীয়া পাতৰ পাচলি বুজা যায়, হিন্দীত ই নিৰামিষ তৰকাৰী বুজায়।

কালৰ পৰিবৰ্তনৰ হেতু শব্দাৰ্থৰ পৰিবৰ্তনৰ এটা উদাহৰণ হ'ল 'মৃগ' শব্দ। সংস্কৃতত 'মৃগ' মানে জন্তু। ইয়াৰ পৰা সৃষ্টি হোৱা 'মৃগয়া' শব্দই প্ৰাচীন অসমীয়াত চিকাৰক বুজায়। আধুনিক অসমীয়াত কিন্তু 'মৃগ' মানে হৰিণা। 'দুহিতা' শব্দৰ মূল অৰ্থ আছিল। 'দোহন কাৰিণী।' আজিকালি 'দুহিতা' শব্দই কন্যা বুজায়। সংস্কৃতত 'শকুন' শব্দৰ অৰ্থ হ'ল চৰাই। ইয়াৰ পৰা উৎপত্তি হোৱা 'শগুন' শব্দই অসমীয়াত এবিধ বিশেষ চৰাইকহে বুজায়।

পাত্ৰ বা বস্তু আৰু আচাৰ-ব্যৱহাৰৰ পৰিবৰ্তনৰ বাবেও অনেক শব্দৰ অৰ্থৰ পৰিবৰ্তন ঘটে। উদাহৰণ স্বৰূপে 'তুলী' শব্দটোকে ল'ব পাৰি। তুলাৰে তৈয়াৰ কৰা হেতুকে শব্দটো হ'ল 'তুলী'। আজিকালি নাইলন, জন্তুৰ নোম আদিৰেও 'তুলি' তৈয়াৰ কৰা হয়। পূৰ্বেহিতে যাৰ উদ্দেশ্যে যজ্ঞ সমাপন কৰিছিল, তেওঁক কোৱা হৈছিল যজমান। আজিকালি নাপিত বা ধোবাৰো 'যজমান' আছে।

## (গ) মানসিক কাৰণ ঃ

শব্দাৰ্থ পৰিবৰ্তনৰ ক্ষেত্ৰত মনস্তত্ত্বৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। শব্দাৰ্থ পৰিবৰ্তনৰ যি দুটা কাৰণ ওপৰত উল্লেখ কৰি অহা হৈছে, সেই দুটা প্ৰকৃততে, মানুহৰ মনস্তত্ত্বৰ দ্বাৰা বহু পৰিমাণে নিয়ন্ত্ৰিত। সংস্কাৰ, অন্ধবিশ্বাস, অজ্ঞতা, ৰুচি-অভিৰুচি আদি মানুহৰ মানসিকতাৰ

### (ঘ) কুসংস্কাৰ জনিত কাৰণ ঃ

সমাজত থকা কুসংস্কাৰৰ বাবেও কেতিয়াবা শব্দৰ অৰ্থৰ পৰিবৰ্তন হ'ব পাৰে। যেনে— অসমীয়া সমাজত কিছুমান শব্দ ৰাতি উচ্চাৰণ নকৰে। তাৰ ঠাইত বেলেগ শব্দ প্ৰয়োগ কৰি তাৰ অৰ্থ প্ৰকাশ কৰে। যেনে— চুন শব্দৰ ঠাইত বগা, হালধীৰ ঠাইত ৰংগুৰি, সাপৰ ঠাইত দীঘল নেজীয়া আদি শব্দ প্ৰয়োগ কৰা হয়। ফলত বগা, ৰংগুৰি, দীঘল নেজীয়া আদি শব্দৰ অৰ্থ পৰিবৰ্তন হৈ পৰে।

### (ঙ) সুভাষণ ঃ

কেতিয়াবা অপ্ৰীতিকৰ বা দুখজনক কথা পোন-পটীয়াকৈ ব্যক্ত নকৰি অন্য একোটা শব্দৰ দ্বাৰা প্ৰকাশ কৰি আবেগৰ উপশম ঘটাবলৈ চেষ্টা কৰা হয়। ফলস্বৰূপে শব্দটোৰ অৰ্থৰ পৰিবৰ্তন ঘটে। যেনে— মৃত্যুৰ বাতৰি সকলোৰে বাবে অপ্ৰীতিকৰ। সেয়েহে কোনো লোকৰ মৃত্যু হলে পোনপটীয়াকৈ মৃত্যু হোৱা বুলি নকৈ ইহলীলা সম্বৰণ কৰা, নশ্বৰ দেহ ত্যাগ কৰা, স্বৰ্গগামী হোৱা, মহানিদ্ৰাত পৰা, অনন্ত শয়নত পৰা আদি শব্দ গুচ্ছৰ দ্বাৰা প্ৰকাশ কৰা হয়। ফলত শব্দবোৰৰ অৰ্থ পৰিবৰ্তন হৈ পৰে।

### (চ) ভাবাবেগ ঃ

যিকোনো কথাই অলপ বঢ়াই কোৱা সাধাৰণ মানুহৰ এক প্ৰৱণতা। এই ক্ষেত্ৰত ভয়, ক্ৰোধ আদি অনুভূতিবোৰে মানুহক সহায় কৰে। অনুভূতিৰ এনে আতিশয্যই একোটা শব্দৰ অৰ্থ পৰিবৰ্তন কৰিব পাৰে। যেনে— মাৰাত্মক অপৰাধ, অদ্ভুত আচৰণ, বিৰাট আয়োজন আদি শব্দগুচ্ছত মাৰাত্মক, অদ্ভুত, বিৰাট আদি শব্দই বিশেষণ ৰূপে প্ৰয়োগ হোৱাত তাৰ অভিধেয় অৰ্থত কিছু পৰিমাণে ব্যাঘাত ঘটে।

### (ছ) অজ্ঞতা জনিত কাৰণ ঃ

কিছুমান শব্দৰ মূল অৰ্থ নাজানি ভিন্ন অৰ্থত ব্যৱহাৰ কৰাৰ ফলত একোটা শব্দৰ অৰ্থ ভিন্ন হৈ পৰে। যেনে— সংস্কৃত 'অৱদান' শব্দৰ মূল অৰ্থ হৈছে

শোধন, শুদ্ধকৰণ, মহৎকৰ্ম ইত্যাদি। কিন্তু বৰ্তমান অসমীয়াত 'দান' অৰ্থতহে ব্যৱহাৰ কৰা হয়। আগতে ঈশ্বৰৰ অস্তিত্ব বিশ্বাস নকৰাজনক নাস্তিক বোলা হৈছিল। বৰ্তমান দেশাচাৰ মানি নচলাজনক নাস্তিক বোলা হয়।

### (জ) গৌণাৰ্থৰ প্ৰাধান্য ঃ

কেতিয়াবা কোনো শব্দৰ মুখ্য অৰ্থটোৰ সলনি অন্য এটা অৰ্থৰ উদ্ভৱ হয় আৰু পিচলৈ সেইটোহে প্ৰচলিত হৈ পৰে। যেনে— 'হিন্দু' শব্দটোৰ উদ্ভৱ হৈছিল সিন্ধু শব্দৰ পৰা। সিন্ধুনৈৰ পাৰত বাস কৰা লোকসকল পাৰস্যত হিন্দু নামেৰে জনাজাত আছিল। বৰ্তমান হিন্দু মানে ভাৰতীয়সকলক বুজায়। অতীতত সিন্ধু উপত্যকা আক্ৰমণ কৰা অধিবাসীকলক বন্দী কৰি পাৰস্যলৈ লৈ গৈ দাসৰূপে ব্যৱহাৰ কৰা সকলকহে হিন্দু বুলি কৈছিল। এইদৰে একোটা শব্দৰ বেলেগ অৰ্থত ব্যৱহাৰ কৰিবলৈ লোৱাত শব্দৰ অৰ্থ পৰিবৰ্তন হৈ পৰে।

### (ঝ) সাদৃশ্য ঃ

কেতিয়াবা কোনো শব্দই সূচিত আকৃতি প্ৰকৃতি আদিৰ সাদৃশ্যত কোনো শব্দ ব্যৱহাৰ কৰিলে শব্দৰ অৰ্থ পৰিবৰ্তন হৈ পৰে। যেনে— দৃষ্টিশক্তি থকা জীৱৰ চকুৰ সাদৃশ্যত আলু বা কচুৰ গজালি ওলোৱা অংশটোক চকু বুলি কোৱা হয়। ফলত চকু শব্দৰ অৰ্থ পৰিবৰ্তন হৈ পৰে। ঠিক তেনেদৰে খালেৰ ক্ৰিয়াৰ সাদৃশ্যত গ'ল ক্ৰিয়াটো যালে কলেও শব্দটোৰ অৰ্থৰ পৰিবৰ্তন হৈ পৰিব।

## অৰ্থ বিশ্লেষণৰ বৰ্ণনাত্মক দৃষ্টিভংগী ঃ

ঐতিহাসিক দৃষ্টিভংগীৰে অৰ্থৰ বিশ্লেষণ কৰি যিদৰে অৰ্থৰ প্ৰকাৰ, অৰ্থৰ পৰিবৰ্তন আদি বিশ্লেষণ কৰা হয়, ঠিক তেনেদৰে বৰ্ণনাত্মক দৃষ্টিভংগীৰে অৰ্থৰ বিশ্লেষণ কৰি শব্দৰ বা বাক্যৰ অৰ্থগত সম্পৰ্কৰ বিষয়ে বিশ্লেষণ কৰা হয়। শব্দৰ সহবদ্ধ আৰু ক্ৰমাবদ্ধ সম্পৰ্কৰ মাজেৰে অৰ্থগত সম্পৰ্ক, যেনে— বিপৰীতাৰ্থ, সমাৰ্থতা আদি বিশ্লেষণ কৰা হয়। কোনো কোনোৱে এনে বিশ্লেষণক অৰ্থগত উপাদান (Semantic Componant) বুলি কব খোজে।

১৯৩০ চনত অৰ্থবিজ্ঞানৰ চৰ্চাত উত্থান হোৱা এক নতুন দৃষ্টিভংগী হ'ল

অৰ্থগত ক্ষেত্ৰ (Semantic field)। অৰ্থগত ক্ষেত্ৰত অভিধানৰ মূল শব্দকোষে ঠাই পোৱা শব্দবোৰৰ যিবোৰে স্বতন্ত্ৰ বিষয় এটাৰ অৰ্থ প্ৰকাশ কৰে, সেইবোৰৰ বিষয়ে বিশ্লেষণ কৰা হয়। সেই শব্দবোৰে স্বতন্ত্ৰ বিষয় এটাৰ অৰ্থ প্ৰকাশ কৰাৰ উপৰিও তাৰ লগত আত্মঃ সম্পৰ্ক থকা ভালেমান বিষয়কে সামৰি লয় বাতি প্ৰত্যেকেই ইটোৰে সিটোৰ বিভিন্ন ধৰণে অৰ্থ দাঙি ধৰে। 'ৰং' শব্দটোৰ অৰ্থ বিশ্লেষণ অৰ্থগত ক্ষেত্ৰৰ এক উৎকৃষ্ট উদাহৰণ। ৰং বুলি কলে ৰঙা, হালধীয়া, নীলা, সেউজীয়া আদি বিভিন্ন ৰং সম্পৰ্কে ধাৰণা এটা লগে লগে মনলৈ অহাটোৱে হৈছে অৰ্থগত ক্ষেত্ৰ।

## অৰ্থগত সম্পৰ্ক (Sense relation) ঃ

শব্দৰ সহবদ্ধ আৰু ক্ৰমাবদ্ধ গঠনৰ ওপৰত নিৰ্ভৰ কৰি অৰ্থগত সম্পৰ্কক পাঁচটা শ্ৰেণীত ভাগ কৰিব পাৰি— (ক) একাৰ্থতা (Synonymy) (খ) অৰ্ন্তবৰ্তিতা (Hyponymy) (গ) বিপৰীতাৰ্থ (Antonymy) (ঘ) নানাৰ্থ (Polysemy) আৰু (ঙ) সমাৰ্থতা (Homosemy)

## একাৰ্থতা (Synonymy) ঃ

কোনো এটা ভাষাত ভিন ভিন শব্দ ব্যৱহাৰ কৰি একে অৰ্থ প্ৰকাশ কৰিলে, অৰ্থাৎ শব্দ ভিন্ন হলেও ভাব চিত্ৰ বা সূচিত বস্তু এটা হলে তাক একাৰ্থতা বোলা হয়। যেনে—

I saw a madman (মই এজন পাগল মানুহক দেখিছিলো)

I saw a lunatic (মই এজন পাগল মানুহক দেখিছিলো)

I saw a maddy (মই এজন পাগল মানুহক দেখিছিলো)

বাক্যকেইটা Madman, lunatic, maddy তিনিওটা আক্ষৰিক ভাৱে বেলেগ বেলেগ কিন্তু অৰ্থগত ভাৱে অভিন্ন বা একাৰ্থক। বাক্য কেইটাৰ উল্লিখিত শব্দ কেইটাৰ এটাৰ ঠাইত আনটো প্ৰয়োগ কৰিলেও অৰ্থৰ কিন্তু হেৰফেৰ নহয়॥

## (খ) অৰ্ন্তবৰ্তিতা (Hyponymy) ঃ

কোনো এটা ভাষাত ব্যৱহৃত একোটা শব্দৰ অৰ্থৰ মাজত বাস্তৱ জগতৰ ভালেমান অন্যান্য অৰ্থযুক্ত শব্দ সোমাই থাকে। যেনে— 'চৰাই' বুলি কলে

ভাব মাজত চিলনী, কাউৰী, শালিকা, বাদুলি আদি অনেক প্ৰাণীৰ অৰ্থ অন্তৰ্ভুক্ত হৈ থাকে। অৰ্থাৎ প্ৰত্যেকটো শব্দৰে একোটা সুকীয়া সুকীয়া ভাব বা অৰ্থগত উপাদান আছে। সেয়েহে 'চৰাই' বুলি কলে বিভিন্ন চৰাই সমূহৰ অৰ্থগত উপাদান অন্তৰ্নিহিত সম্পৰ্কৰ বিশ্লেষণ হ'ল অৰ্ন্তবৰ্তীতা। ঠিক তেনেদৰে 'জন্তু' শব্দৰ লগত বাঘ, ভালুক, গৰু, ছাগলী, 'ফুল' শব্দৰ লগত বকুল, শেৱালী, তগৰ, নাৰ্জি আদি একে জাতীয় ভাব উপাদান যুক্ত হৈ থাকে। উল্লিখিত আটাইবোৰ চৰাই, জন্তু বা ফুল শব্দৰ ভাব উপাদানৰ অৰ্ন্তবৰ্তী বুলি ধৰা হয়। গতিকে একোটা ভাব বা অৰ্থৰ মাজত ভালেমান ভাব বা অৰ্থ সোমাই থকা শব্দসমূহৰ মাজৰ সম্পৰ্ক বিশ্লেষণ প্ৰক্ৰিয়াই হ'ল অৰ্ন্তবৰ্তীতা।

## (গ) বিপৰীতাৰ্থ (Antonymy) :

কোনো বিষয়ৰ অৱস্থা, পৰিমান, প্ৰকৃতি, আকৃতি অথবা গুণ আদি বুজোৱা কোনো এটা শব্দৰ ভাব বা তাৰ অৰ্থ আৰু সমজাতীয় আন এটা শব্দই তাৰ বিপৰীত অৰ্থ বা ভাব প্ৰকাশ কৰিলে দুয়োটাৰ অৰ্থ সম্বন্ধক বিপৰীতাৰ্থ বোলা হয়। যেনে— প্ৰাণীৰ পুৰুষ লিংগ প্ৰকাশক শব্দ 'মতা' শব্দৰ বিপৰীত অৰ্থ স্ত্ৰীলিংগ প্ৰকাশক শব্দ 'মাইকী'। তেনেদৰে গুণবাচক অৰ্থ প্ৰকাশক good–bad, পৰিমাণ বাচক অৰ্থ প্ৰকাশক few–many, আকৃতি বাচক big–small ইত্যাদি শব্দৰ সম্পৰ্ক বিপৰীতাৰ্থক। কোনো কোনো ভাষাত কিছুমান শব্দত পূৰ্ব প্ৰত্যয় যোগ কৰি নঞৰ্থক শব্দ গঠন কৰি বিপৰীতাৰ্থক সম্বন্ধ স্থাপন কৰা হয়। যেনে— আদি-অনাদি, ফল-বিফল আদি শব্দৰ সম্পৰ্ক বিপৰীতাৰ্থক।

## (ঘ) নানাৰ্থ (Polysemy) :

কোনো এটা ভাষাত ব্যৱহৃত একোটা শব্দই ভিন ভিন ধৰণৰ অৰ্থ প্ৰকাশ কৰে। একোটা শব্দই ভিন্ন অৰ্থ প্ৰকাশ কৰিলে অৰ্থ সমূহৰ মাজত স্থাপন হোৱা সম্পৰ্কটোক নানাৰ্থ বুলি কোৱা হয়। সকলো ভাষাতে শব্দৰ নানাৰ্থ প্ৰয়োগ একে নহয়। নানাৰ্থ শব্দৰ যথোপযুক্ত অৰ্থ নিৰূপণ কৰিবলৈ হ'লে কেইটামান দিশৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। সেই কেইটা হ'ল— বাক্যত ব্যৱহাৰ হোৱা—

(১) অন্যান্য শব্দৰ সান্নিধ্য
(২) অন্যান্য শব্দৰ অৰ্থসংগতি
(৩) বাক্য গঠনৰ ব্যাকৰণগত ৰূপ
(৪) প্ৰসংগ সংগতি বিচাৰ ইত্যাদি।

বিভিন্ন দিশৰ ওপৰত নিৰ্ভৰ কৰি শব্দৰ নানাৰ্থ সম্পৰ্ক বিচাৰ কৰা হয়। সাধাৰণতে শব্দ সমূহৰ প্ৰয়োগৰ সলনি কৰাৰ লগে লগে অৰ্থ সলনি হৈ পৰে যেনে- red ink (ৰঙা চিয়াহী), red deer (ৰঙা হৰিণ), red cabbage (ৰঙা কবি), red Indian (গোড়া ৰঙাৰ ভাৰতীয়) ইত্যাদিত red (ৰঙা) শব্দটোৰ অৰ্থ অৰ্থাৎ ৰংটোৱে বিভিন্ন ৰঙৰ অৰ্থ প্ৰকাশ কৰিছে। শব্দ গুচ্ছ সমূহৰ প্ৰত্যেকটো red ৰ অৰ্থ সুকীয়া সুকীয়া। ইহঁতৰ মাজৰ সম্পৰ্ক নানাৰ্থ। ইংৰাজী ভাষাত partner শব্দটো bussiness partern, marriage partner, partner in crime, room partner আদি শব্দত প্ৰয়োগ হোৱাত অৰ্থ ভিন ভিন হৈ পৰিছে, কাৰণ partner শব্দটো মূলতঃ দুজন মানুহৰ সম্বন্ধক বুজায়।

### (ঙ) সমাৰ্থতা (Homosemy)ঃ

কোনো এটা শব্দৰ ভাব চিত্ৰই যেতিয়া আন এটা শব্দৰ ভাব চিত্ৰক সূচনা কৰিব তেতিয়া শব্দ দুটাৰ অৰ্থৰ মাজত সমাৰ্থতা সম্পৰ্ক স্থাপন হয়। সমাৰ্থতা সম্পৰ্ক যুক্ত শব্দবোৰ কোনো বাক্যত এটাৰ সলনি আন এটা শব্দৰ প্ৰয়োগ কৰিলেও বাক্যটোৰ অৰ্থৰ কোনো হেৰ ফেৰ নহয়। যেনে— 'লোণ' শব্দটোৰ লগত সমাৰ্থক সম্পৰ্ক থকা শব্দ হ'ল 'নিমখ', 'লৱন' 'solt' আদি। গোটেই কেইটা শব্দই একেটা বস্তুকে সূচিত কৰে। তেনেদৰে 'সন্তান' শব্দৰ সমাৰ্থক সম্পৰ্ক যুক্ত শব্দ হ'ল 'লৰা-ছোৱালী' 'পুত্ৰ-কন্যা'। বাক্যত প্ৰয়োগ হোৱা শব্দ সমূহৰ বিশিষ্ট অৰ্থ প্ৰকাশ কৰা শব্দৰ লগত আন এটা শব্দৰ অৰ্থ একে হলে সমাৰ্থক সম্পৰ্ক ঘটে। মনকৰিবলগীয়া যে বাক্যত প্ৰয়োগ হোৱা বিশিষ্ট শব্দটোৰ সলনি অন্য শব্দ এটা প্ৰয়োগ হলে যাতে বাক্যটোৰ নিৰ্দিষ্ট অৰ্থ প্ৰকাশত কোনো বাধা নঘটে, তেতিয়াহে শব্দ দুটাৰ মাজত সমাৰ্থক সম্পৰ্ক ঘটা বুলি কব পাৰি।

### অৰ্থৰ উপাদান ঃ

ভাষা বিজ্ঞানী Bierwisch Manfred এ উল্লেখ কৰিছে যে শব্দৰ অৰ্থত

প্ৰধানকৈ দুটা উপাদান নিহিত হৈ থাকে— (ক) অৰ্থগত উপাদান (Semantic Componant) আৰু (খ) সম্পৰ্কগত উপাদান (Relational Componant)

## অৰ্থগত উপাদান ঃ

যিকোনো ভাষাত বক্তাই উচ্চাৰণ কৰা কোনো এটা শব্দ শ্ৰোতাৰ কাণত পৰাৰ লগে লগে শ্ৰোতাৰ মনত এখন ভাৱচিত্ৰ বা এক ধাৰণা গঢ় লৈ উঠে। অৱশ্যে বক্তাই কোৱা শব্দই সূচিত বিষয় সম্পৰ্কে শ্ৰোতাৰ পূৰ্বজ্ঞান থাকে বাবে শ্ৰোতাৰ মনত ধাৰণা বা ভাৱ চিত্ৰৰ উদয় হয়। ভাৱ চিত্ৰ বা ধাৰণাৰ দ্বাৰাই বাহ্য জগতৰ বিষয় বস্তু বা কোনো প্ৰাণীৰ লগত সম্পৰ্ক স্থাপন কৰা হয়। যাক আমি অৰ্থ বুলি কওঁ।

উচ্চাৰিত শব্দ বা বাক্যৰ অৰ্থ বা বক্তব্য সচাঁ বা মিছা বুলি নিৰ্ণিত হয় বাস্তৱ সত্যতাৰ ভিত্তিত। যেনে— 'আকাশ নীলা দেখি' যদি সেই সময়ত আকাশ মেঘাচ্ছন্ন হৈ নাথাকে তেনেহলে সঁচাকৈয়ে আকাশখন নীলা ৰঙৰ দেখা যায়। এই ক্ষেত্ৰত 'নীলা' আকাশখনৰ এটা বৈশিষ্ট্য বা লক্ষণ। আকাশ ৰঙা বা কলা বুলিলে কেতিয়াও বাস্তৱত সত্য নহয়। আকাশৰ নীলা ৰং, যি লক্ষণৰ কথা কোৱা হ'ল ই হ'ল অৰ্থগত উপাদান।

কোনো এটি শব্দই সূচিত কৰা বিষয়ৰ লক্ষণ নিৰ্ণয় কৰি কিছুমান অৰ্থত উপাদান গ্ৰহণ কৰা হয়, স্বাভাৱিকতে বাস্তৱত থকা যিকোনো বস্তু বা প্ৰাণীৰ আকৃতি, প্ৰকৃতি, ধৰণ আদি বোৰ হ'ল সেই বস্তু বা প্ৰাণীৰ বৈশিষ্ট্য বা লক্ষণ। যিবোৰত সেই লক্ষণ বা বৈশিষ্ট্যবোৰ পুৰামাত্ৰাই পোৱা যায়। সেইবোৰক সেই বস্তু বা প্ৰাণীৰ নমুনা বা আদৰ্শ (prototype) বুলি কোৱা হয়। নমুনা বা আদৰ্শ বস্তু বা প্ৰাণীৰ বৈশিষ্ট্য বা লক্ষণবোৰক নিৰ্ণায়ক গুণ (stereotype) বুলি কোৱা হয়। যেনে— 'ঘৰ' বুলি কলে কাঠ বা বাহেৰে তৈয়াৰী চাৰিখন বেৰ, টিনপাত বা খেৰেৰে বন্ধোৱা সুন্দৰ চালি, দুখন খিৰিকী, এখন দুৱাৰ যুক্ত এটা সুন্দৰ ঘৰৰ কথা মনলৈ আহে। ই ঘৰৰ এটা আদৰ্শ বা নমুনা। তাৰ ঠাইত যদি ভাগা চিগা বেৰেৰে আউলী যোৱা চালিৰ সৈতে এটা জুপুৰীৰ কথা কোৱা হয় সি কেতিয়াও আদৰ্শ ঘৰ হব নোৱাৰে। আদৰ্শ ঘৰটোৰ যিবোৰ লক্ষণ আছে যেনে— বেৰ, চালি, দুৱাৰ, খিৰিকী আদিবোৰ হ'ব ঘৰটোৰ নিৰ্ণায়ক গুণ। নিৰ্ণায়ক গুণবোৰেই হ'ল ঘৰটোৰ উপাদান। এইদৰে কোনো শব্দই সূচিত বস্তু বা প্ৰাণীৰ নমুনাৰ

আধাৰত তাৰ লক্ষণবোৰৰ অৰ্থ বিচাৰ কৰাটোৱেই হ'ল অৰ্থগত উপাদান। তিবোতা শব্দৰ কথা কলে— মানৱ + মহিলা + বিবাহিতা আদি গুণেৰে বিশিষ্ট প্ৰাণীৰ কথা মনলৈ আহে। গতিকে তিবোতা শব্দৰ মানৱ, মহিলা, বিবাহিতা আদি অৰ্থগত উপাদান।

## (খ) সম্পৰ্কগত উপাদান (Relational component) :

কোনো এটা ভাষাত ব্যৱহাৰ হোৱা শব্দবোৰৰ অৰ্থ বা ভাব বিচাৰ কৰিলে কিছুমান শব্দ একেধৰণৰ যেন অনুমান হয়। অৰ্থাৎ এটা শব্দৰ অৰ্থ বা ভাবে অন্য কিছুমান শব্দ সম্পৰ্কেও মনৰ মাজত এক ধাৰণা বা এখন ভাবচিত্ৰ আনি দিয়ে। আপোনা আপুনি এটা শব্দৰ অৰ্থৰ লগত আন কিছুমান শব্দৰ অৰ্থ পাৰস্পৰিক ভাবে সম্পৰ্ক যুক্ত হৈ পৰে। এনেধৰণে সম্পৰ্ক যুক্ত শব্দবোৰৰ সমষ্টিয়ে একোখন অৰ্থগত ক্ষেত্ৰ (Semantic field) গঢ়ি তোলে। যেনে— 'ফুল' বুলি কোৱাৰ লগে লগে বকুল, শেৱালী, গোলাপ, মালতী আদি বিভিন্ন ধৰণৰ বিভিন্ন ৰঙৰ, বিভিন্ন গোন্ধ যুক্ত ফুলৰ কথা মনলৈ আহে। ঠিক তেনেদৰে ৰং বুলি কলে বগা, ৰঙা, হালধীয়া, সেউজীয়া আদি বিভিন্ন ৰং সম্পৰ্কে পূৰ্ব ধাৰণা অনুসৰি ধাৰণা কৰিব পাৰি। এনেদৰে ফুলৰ লগত সম্পৰ্ক থকা বকুল, শেৱালী, গোলাপ, মালতী আদি একে জাতীয় বা গোত্ৰৰ শব্দ সমূহৰ মাজত থকা অৰ্থগত সম্পৰ্কই হ'ল অৰ্থগত ক্ষেত্ৰ বা সম্পৰ্কগত উপাদান।

---

পাদটিকা—

১। R. H. Robins : General Linguistics : 1989, p-11

২। Robert Hall : Introductory Linguistics : p-32

৩। C. F. Hocket : A Course in Modern Linguistics : 1970, p-137

৪। K. L. Pike : Phonetics : 1943, p-78

৫। Ibid : Phonemics : 1949, p-57

৬। R. L. Vershney : An Introductory Text book of Linguistics & Phonetics 1991, p-71